# প্ৰতিজীৱাণু প্ৰতিৰোধী (AMR) মানে কি

NATIONAL DAIRY DEVELOPMENT BOARD

যেতিয়া জীৱাণুবোৰে ঔষধৰ প্ৰতি সঁহাৰি দিয়া বন্ধ কৰে (যেনে এন্টিবায়'টিক) তেতিয়া ইয়াক AMR বুলি কোৱা হয়। ইয়াৰ ফলত মানুহ, জীৱ-জন্তু আৰু উদ্ভিদৰ ৰোগৰ চিকিৎসা কৰাটো কঠিন আৰু ব্যয়বহুল হৈ পৰে।



## AMR ৰ প্ৰধান প্ৰকাৰসমূহ কি কি?

- প্ৰতিজৈৱিক প্ৰতিৰোধ ক্ষমতা
- চাঁহিনাশকৰ প্ৰতিৰোধ ক্ষমতা
- কৃমিনাশকৰ প্ৰতিৰোধ ক্ষমতা

## ই কেনেদৰে হয়?

প্ৰতিজৈৱিক, চাঁহিনাশক আৰু পেলু ঔষধৰ প্ৰতি প্ৰতিৰোধ উদ্ভৱ হোৱাৰ মূল কাৰণসমূহ হ'ল -

1. নিৰ্বিচাৰ ভাবে ঔষধৰ ব্যৱহাৰ
2. পৰিমাণৰ তলত ঔষধৰ ব্যৱহাৰ
3. দুৰ্বল জৈৱ সুৰক্ষা

*AMR বিষয়ে সচেতন হওক।*

## AMR ৰে কি কি ভাবুকি আনিব পাৰে

### জীৱ-জন্তুৰ স্বাস্থ্যৰ প্ৰতি

- গৰু আৰু ম 'হবোৰে চিকিৎসাৰ প্ৰতি সঁহাৰি নিদিয়ে,
- চিকিৎসাৰ ব্যয় বৃদ্ধি,
- দুগ্ধ উৎপাদন হ্ৰাস




**AMR ৰে কৃষকৰ উপাৰ্জন হ্ৰাস কৰে!**

### মানুহৰ স্বাস্থ্যৰ প্ৰতি

- সংক্ৰমণৰ চিকিৎসা কৰাটো কঠিন হৈ পৰে।
- চিকিৎসালয়ত ভৰ্তিৰ খৰচ বৃদ্ধি



**AMR ৰে স্বাস্থ্যসেৱাৰ ব্যয় বৃদ্ধি কৰে!**



### খাদ্য সুৰক্ষা

গাখীৰ আৰু মাংসই এই ঔষধবোৰৰ অৱশিষ্ট বহন কৰিব পাৰে, যাৰ ফলত গ্ৰাহকৰ স্বাস্থ্যৰ প্ৰতি বিপদৰ শংকা আৰু ক্ষতি হয়

### কৃষিৰ ওপৰত প্ৰভাৱ

মাটিৰ বেক্টেৰিয়াবোৰেও প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলে যাৰ ফলত উদ্ভিদৰ স্বাস্থ্য আৰু পৰিৱেশ প্ৰভাৱিত হয়।

### পৰিৱেশৰ স্বাস্থ্য

গোবৰ আৰু প্ৰস্ৰাৱত নিৰ্গত হোৱা প্ৰতিজীৱাণু প্ৰতিৰোধী ৰোগৰকাৰক আৰু প্ৰতিজৈৱিক অৱশিষ্টই মাটি আৰু পানী প্ৰদূষিত কৰে।

**জীৱ-জন্তু আৰু মানুহৰ ক্ষেত্ৰত AMRৰ প্ৰতিৰোধ ক্ষমতাই বিপদাশংকা বৃদ্ধি কৰে!**



### চাঁহিনাশকৰ প্ৰতিৰোধ

চাঁহিনাশকৰ সঘনাই আৰু অনুপযুক্ত ব্যৱহাৰৰ ফলত চিকৰাৰ প্ৰতিৰোধ ক্ষমতা সৃষ্টি হয়

**চিকৰা জনিত ৰোগৰ সম্ভাৱনা বৃদ্ধি কৰে!**



কৃমিনাশকৰ প্ৰতিৰোধ

### কৃমিনাশকৰ প্ৰতিৰোধ

কৃমিনাশকৰ অত্যাধিক ব্যৱহাৰৰ ফলত কৃমিবোৰত প্ৰতিৰোধ ক্ষমতা বিকশিত হয়

**পশুৰ উৎপাদনশীলতা হ্ৰাস কৰে!**

## সমাধানঃ এক স্বাস্থ্য পদ্ধতি

- প্ৰতিজৈৱিক, চাঁহিনাশক আৰু কৃমিনাশকৰ উপযুক্ত ব্যৱহাৰ
- সঠিক জৈৱ সুৰক্ষা নীতি-নিয়ম অনুসৰণ কৰক
- সঠিকভাৱে আৱৰ্জনা নিষ্কাশন কৰক
- সঠিক ঔষধৰ পৰিমাণৰ বাবে পশু চিকিৎসকৰ পৰামৰ্শ লওক।
- নিজৰ মতে ঔষধ ব্যৱহাৰ পৰিহাৰ কৰক
- য 'তেই সম্ভৱ পৰম্পৰাগত পশু চিকিৎসা (EVM) ৰ চিকিৎসা পদ্ধতি গ্ৰহণ কৰক




তলৰ ৰোগ সমূহৰ EVM প্ৰস্তুতিৰ বাবে কিউ আৰ ক 'ড সমূহ স্কেন কৰক

| ওহাৰফুলা | কৃমি অপসাৰণ | চিকৰা | জ্বৰ। | ডায়েৰীয়া |
|---|---|---|---|---|

**প্ৰতিজীৱাণু প্ৰতিৰোধী (AMR) বন্ধ কৰোঁ আহক!**